জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৪/২০২১

**একেদিনাই ৮ লাখ লোকক টিকাকৰণ কৰাৰ লক্ষ্যৰে অহা ১৭ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব ক'ভিড টিকাকৰণৰ বিশাল অভিযান**

## জিলা উপায়ুক্ত, জিলাসমূহৰ অভিভাৱক মন্ত্ৰী তথা সচিবসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাযোগে যাৱতীয় প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## দ্বিতীয় পালি টিকা প্ৰদানত বিশেষ গুৰুত্ব দিবলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত নিজ কাৰ্যালয়ৰ সভাকক্ষৰ পৰা জিলাসমূহৰ উপায়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাযোগে এক বৈঠকত মিলিত হৈ অহা ১৭ ছেপ্টেম্বৰত ৰাজ্যজুৰি ৰূপায়িত হ'ব লগা ক'ভিড টিকাকৰণৰ বিশাল অভিযানৰ যাৱতীয় প্ৰস্তুতি আৰু পৰিকল্পনাৰ বুজ লোৱাৰ লগতে এই অভিযান সফল কৰি তোলাৰ অৰ্থে কেইবালানিও নিৰ্দেশনা প্ৰদান কৰে। উল্লেখ্য যে অহা ১৭ ছেপ্টেম্বৰত ক'ভিড টিকাকৰণৰ এই বিশাল অভিযানৰ জৰিয়তে ৰাজ্য চৰকাৰে একে দিনাই সমগ্ৰ ৰাজ্যত ৮ লাখ লোকক টিকাকৰণ কৰাৰ লক্ষ্য লৈছে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে স্বাস্থ্য বিভাগে যোৱা ২১ জুনৰ পৰা ২৩ জুনলৈ অনুষ্ঠিত কৰা ব্যাপক টিকাকৰণ অভিযানত প্ৰায় ৯.৭৫ লাখ লোকক ক'ভিড-১৯ ৰ টিকা প্ৰদান কৰা হৈছিল। এতিয়া সেইসকল লোকৰ দ্বিতীয় পালি টিকা লোৱাৰ সময় উপস্থিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত দ্বিতীয় পালি টিকা গ্ৰহণ কৰাৰ বাবে ৰাইজ যাতে আগবাঢ়ি আহে তাৰ বাবে জনসাধাৰণৰ মাজত ব্যাপক সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত দুৰ্গা পূজাকে ধৰি আগন্তুক বিভিন্ন উৎসৱৰ সময়ছোৱাৰ পূৰ্বেই যথেষ্ট সংখ্যক লোককে যাতে ক'ভিড-১৯ ৰ টিকাকৰণৰ দ্বাৰা সামৰি ল'ব পৰা যায় তাৰ বাবে সংশ্লিষ্ট সকলোৰে ব্যাপক তৎপৰতাৰে কৰ্মক্ষেত্ৰত নামি পৰিব লাগিব। যিসমূহ ক'ভিড টিকাকৰণ কেন্দ্ৰত ২১-২৩ জুনত টিকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হৈছিল সেই টিকাকৰণ কেন্দ্ৰসমূহতেই যিহেতু অহা ১৭ ছেপ্টেম্বৰত দ্বিতীয় পালি টিকা প্ৰদান কৰা হ'ব, সেয়ে আশাকৰ্মী, এ এন এম আদিকে ধৰি স্বাস্থ্যকৰ্মীসকলক দ্বিতীয় পালি টিকা গ্ৰহণৰ বাবে জনসাধাৰণক উদ্বুদ্ধকৰণ কাৰ্যত নিয়োজিত হ'বলৈ মুখ্যমন্ত্ৰীয়ে কয়। এই ক'ভিড টিকাকৰণৰ বিশাল অভিযানৰ প্ৰতি জনসজাগতা বৃদ্ধিৰ অৰ্থে জনসাধাৰণলৈ এই সম্বন্ধীয় এছ এম এছ প্ৰেৰণকে ধৰি বিভিন্ন প্ৰচাৰ অভিযান চলাবলৈও মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰ্দেশ প্ৰদান কৰি কয় যে উক্ত অভিযানকালত জিলাসমূহৰ অভিভাৱক মন্ত্ৰী তথা অভিভাৱক সচিবসকলেও নিজ নিজ জিলাত অৱস্থান কৰি সমগ্ৰ কাৰ্যব্যৱস্থা তদাৰক কৰিব। তেওঁ লগতে যিবোৰ

অঞ্চলত টিকা প্ৰদানৰ হাৰ এতিয়াও কম হৈ আছে তেনে অঞ্চলসমূহত গুৰুত্ব প্ৰদান কৰিবলৈও বিষয়াসকলক নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ক'ভিড টিকাকৰণৰ বিশাল অভিযান সন্দৰ্ভত প্ৰতিখন জিলাৰ প্ৰস্তুতি তথা প্ৰতিষেধককে ধৰি যাৱতীয় সা-সামগ্ৰীৰ উপলব্ধতা আদিৰো পৰ্যালোচনা কৰে।

বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, কৃষিমন্ত্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ উপৰি জিলাসমূহৰ অভিভাৱক সচিবসকল তথা স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৫-০৯-২০২১**